**Regional News Unit**

AKASHVANI, Guwahati

0000000000

**Date : 10-08**-2025

**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

-------------------

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন অসম ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ ঘাটিত ড্ৰোণেৰে আক্ৰমণ কৰাৰ পাছতেই মহানগৰ আৰক্ষীয়ে ব্যাপক সতৰ্কতা অৱলম্বন কৰিছে। শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰাৰ বাবে আৰক্ষী-নিৰাপত্তাৰক্ষীয়ে কটকটীয়া নিৰাপত্তা বেষ্টনি গঢ়ি তুলিছে। মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই মহানগৰ আৰক্ষীক তথ্য যোগান ধৰাৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকত নিৰাপত্তা ব্যৱস্থা সম্পৰ্কত আলোচনা কৰে। ইয়াৰ লগতে এনে কূটাঘাটমূলক কাৰ্য ৰোধ কৰাৰ বাবে মহানগৰীৰ চৌদিশে নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। মহানগৰ আৰক্ষী, অৰ্ধ সামৰিক বাহিনী প্ৰতি মুহূৰ্ততে সষ্টম হৈ থাকিবলৈ কোৱাৰ লগতে তালাচী অভিযান আৰু নৈশ তহল বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বৰ দৰে এইবাৰো খানাপাৰ পশু চিকিতসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱস আয়োজন কৰিছে। অসম আৰক্ষীত নতুনকৈ অন্তৰ্ভুক্ত হোৱা কেইবাটাও নিৰাপত্তা বাহিনীৰ গোটে এই পেৰেডত অংশগ্ৰহণ কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি মানকাচৰ বাংলাদেশ সীমান্তৱৰ্তী কোক্ৰাডাংগাত খহনীয়া পৰিদৰ্শন কৰে। তেওঁ খহনীয়া প্ৰতিৰোধৰ বাবে অঞ্চলটোত জিঅ' বেগ স্থাপনকে ধৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হোৱা জলজীৱন মিছন আঁচনিৰ দুটা প্ৰকল্পও পৰিদৰ্শন কৰে। তেওঁ লগতে হাটশিঙিমাৰী জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

০০০০

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আজি পুৱা কাম্য নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে সৰুসজাই ষ্টেডিয়ামত এটা মটৰ চাইকেল ৰেলী উলিয়ায়। অপাৰেছন সিন্দূৰক শক্তিশালী নেতৃত্ব প্ৰদান কৰা সেনা বাহিনীৰ দুগৰাকী বিৰাঙ্গনা কৰ্ণেল ছোফিয়া কুৰেশ্বী আৰু উইং কমাণ্ডাৰ ভৌমিকা সিঙৰ লগতে দেশ সেৱাত নিয়োজিত হৈ থকা প্ৰতিগৰাকী বীৰাঙ্গনালৈ সন্মান প্ৰদৰ্শন কৰি এই ৰেলীৰ আয়োজন কৰা হয়। প্ৰাক্তন সাংসদ কুইন ওজা আৰু জ্যেষ্ঠ

সাংবাদিক প্ৰণয় বৰদলৈয়ে পতাকা জোকাৰি শুভাৰম্ভ কৰা ছেল্যুত  বীৰাঙ্গনা শীৰ্ষক এই মটৰ চাইকেল ৰেলীটোত অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাৰ লগতে শতাধিক মহিলাই অংশ লয়। উল্লেখযোগ্য যে সৰুসজাই ষ্টেডিয়ামৰ পৰা বেহাৰবাৰী -লখৰা- আই এছ্ বি টি হৈ পুনৰ সৰুসজাইত সমাপ্ত হোৱা ৰেলীটোত অসম গৌৰৱ মীনাক্ষী দাসেও অংশ লয়।

০০০০

অহা নৱেম্বৰৰ শেষৰফালে ৰাজ্যৰ বিভিন্ন জিলাৰ ১১ হাজাৰ শিল্পীয়ে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়ো জনগোষ্ঠীৰ প্ৰধান লোকনৃত্য বাগুৰুম্বা পৰিবেশন কৰিব। ১০ হাজাৰ মহিলা নৃত্যশিল্পী আৰু এহেজাৰ পুৰুষ বাদ্যশিল্পীয়ে পৰিবেশন কৰিবলগীয়া এই অনুষ্ঠানটোক **বাগুৰুম্বা দ'হৌ** ৰূপে নামকৰণ কৰা হৈছে। ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই কালি জনতা ভৱনত অনুষ্ঠিত এখন সভাত বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰস্তাৱিত নৃত্যানুষ্ঠানটিৰ বিষয়ে আলোচনা কৰাৰ লগতে বিশেষজ্ঞসকলে অনুষ্ঠানটিৰ বাবে প্ৰস্তুত কৰা সংগীতত অনুমোদন জনায়। উল্লেখযোগ্য যে, বাগুৰুম্বা নৃত্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত আয়োজন কৰিবলৈ লোৱা এই অনুষ্ঠানৰ বাবে অহা দুমাহৰ ভিতৰতে শিল্পী, ওজা, প্ৰশিক্ষক আদি চূড়ান্ত কৰা হ'ব।

০০০

সমাপ্ত